# কৃতজ্ঞতা

‘নিৰ্বাচিত অসমীয়া শিশু উপন্যাস ঃ এক মনস্তাত্ত্বিক অধ্যয়ন’ শীৰ্ষক গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰি উলিওৱাত বিভিন্নজনৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগে আমাক যথেষ্ট উদ্বুদ্ধ কৰিছে।

প্ৰথমতে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য মহোদয় ড° হিতেশ ডেকা ছাৰলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। তেখেতৰ সবল নেতৃত্বত বিশ্ববিদ্যালয়খনে অনাগত দিনত অধিক খ্যাতি অৰ্জন কৰিব বুলি দৃঢ় বিশ্বাস ৰাখিছোঁ।

দ্বিতীয়তে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পিএইচ. ডি. ডিগ্ৰীৰ বাবে অধ্যয়নৰ সুবিধা প্ৰদান কৰাত নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰিছোঁ। নামভৰ্তি কৰাৰ সময়ত বিভাগীয় প্ৰাক্তন মূৰব্বী অধ্যাপক প্ৰয়াত ড° প্ৰদীপ হাজৰিকা ছাৰৰ দিহা-পৰামৰ্শ কৃতজ্ঞতাৰ সুঁৱৰিছোঁ। বৰ্তমানৰ ভাৰপ্ৰাপ্ত বিভাগীয় প্ৰধান শ্যামলী দলৈ বাইদেউৰ উপদেশ, দিহা-পৰামৰ্শ আমাৰ বাবে আশীৰ্বাদস্বৰূপ। তেখেতলৈ শ্ৰদ্ধা নিবেদিছোঁ। সততে দিহা-পৰামৰ্শ আগবঢ়োৱা অসমীয়া বিভাগৰ প্ৰাক্তন সহকাৰী অধ্যাপক ড° লভিতা দত্ত, ড° চম্পক শইকীয়া, ড° যাদৱেন্দ্ৰ বৰা, ড০ ৰূপম বৰঠাকুৰ, ড° বিজয়কৃষ্ণ দলে ছাৰলৈ আন্তৰিক কৃতজ্ঞতা যাঁচিলো। সহকাৰী অধ্যাপক ড° চন্দ্ৰকমল চেতিয়া, ড° শ্বাহিন জাফ্ৰি, ড° শিখাৰাণী শৰ্মা, ড° পাৰ্থপ্ৰতীম ফুকনদেৱক ধৰি বিভাগীয় সমূহ শিক্ষক তথা কৰ্মকৰ্তালৈ কৃতজ্ঞতা জনাইছোঁ। ছমহীয়া পাঠ্যক্ৰম (Course Work, ২০১৬ বৰ্ষ)ৰ আদৰণি অনুষ্ঠানত শ্ৰদ্ধাৰ উপাচাৰ্য ড° কন্দৰ্প ডেকা মহোদয়ৰ সাৰুৱা বক্তব্যই অনুপ্ৰেৰণা যোগালে। তেখেতে কৈছিল - ‘গৱেষণা কৰিবলৈ হ’লে শাৰীৰিক, মানসিক আৰু বৌদ্ধিকভাৱে যথেষ্ট কষ্ট স্বীকাৰ কৰিবই লাগিব।’ এই বক্তব্যই আমাৰ মনোবল বৃদ্ধি কৰি আমাৰ যাত্ৰাত আগুৱাই যাবলৈ সাহস যোগালে। এই আপাহতে প্ৰাক্তন উপাচাৰ্য মহোদয়লৈ কৃতজ্ঞতাৰ শৰাই যাচিলোঁ।

তৃতীয়তে আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সন্মানীয় প্ৰয়াত ড° প্ৰদীপ হাজৰিকাদেৱক। তেখেতৰ তত্ত্বাৱধানত আমাৰ গৱেষণা কৰ্মৰ প্ৰথমছোৱাৰ আঁচনি যুগুতোৱা হৈছিল। তেখেতৰ সহায়-সহযোগ, দিহা-পৰামৰ্শৰ বাবে আমি চিৰকৃতজ্ঞ।

চতুৰ্থতে, কৃতজ্ঞতা জনাইছোঁ গৱেষণাৰ বিষয়টিৰ সম্পৰ্কে মূল্যবান দিহা-পৰামৰ্শৰে আমাক

বাধিত কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰাক্তন প্ৰাধ্যাপক আৰু শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকা মহোদয়াক। তেখেতৰ বহুমূলীয়া দিহা-পৰামৰ্শ, সহায়-সহযোগিতা অবিহনে আমাৰ কৰ্মই গতি নল'লেহেঁতেন।

পঞ্চমতে, গৱেষণা কৰ্মৰ আৰম্ভণিতে সততে আমাক সহায়-সহযোগ কৰা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক ড° ৰাতুল চন্দ্ৰ বৰাদেৱ, ড° দয়ানন্দ পাঠকদেৱ, সহকাৰী পঞ্জীয়ক ড° দীনমণি ঠাকুৰীয়াদেৱ আৰু বৰ্তমানৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা, শৈক্ষিক পঞ্জীয়ক ড° বিচিত্ৰ বিকাশ দুৱাৰাদেৱৰ লগতে বিশ্ববিদ্যালয়ৰ সমূহ কৰ্তৃপক্ষৰ ওচৰত আমি চিৰকৃতজ্ঞ।

ষষ্ঠতে, গৱেষণাৰ ক্ষেত্ৰত সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা ড° শান্তনু তামুলী, ড° এন. গোবিন্দ সিংহ, ড° বন্দিতা গোস্বামী শইকীয়া, ড° বন্দিতা ফুকন, ড° নমিতা বৰুৱা, সূৰ্য হাজৰিকা ছাৰক কৃতজ্ঞতা জনালোঁ।

গৱেষণাৰ বিষয়টো যিহেতু পুথিভঁৰাল কেন্দ্ৰিক সেইহেতু এই ক্ষেত্ৰত সমল সংগ্ৰহৰ বাবে সহায় আগবঢ়োৱা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা কেন্দ্ৰীয় গ্ৰন্থাগাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, অসম সাহিত্য সভাৰ গ্ৰন্থাগাৰ, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট জিলা পুথিভঁৰাল, যোৰহাট কলেজ পুথিভঁৰালৰ ওচৰত আমি চিৰঋণী হৈ ৰ'লো।

বৰহোলা কলেজৰ সহকৰ্মী মামণি গগৈ আৰু গ্ৰন্থগাৰিকা বৰ্ণালী কোঁৱৰৰ সহায়-সহযোগিতা মই চিৰদিন মনত ৰাখিম।

শেষত মোৰ পৰিয়ালৰ শাহু মা, একমাত্ৰ পুত্ৰ ৰাজপ্ৰিয়ম আৰু জীৱন যাত্ৰাৰ সহযোগী শ্ৰী বিপুল বৰাক কৃতজ্ঞতা জনালোঁ। লগতে এই গৱেষণা গ্ৰন্থখনি অক্ষৰ বিন্যাস কৰি ছপা আকাৰত ৰূপ দিয়া দক্ষকৰ্মী বসন্ত ককাইদেউ ধন্যবাদৰ পাত্ৰ।

**দীপ্তি বৰুৱা**